بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**বদৰৰ যুদ্ধৰ সংক্ৰান্তত আঁহজৰত (ছাঃ)ৰ জীৱনী আৰু ঐতিহাসিক ঘটনাৱলীৰ ঈমান বৰ্দ্ধক বিৱৰণ**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৬ অক্টোবৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা সপ্তাহৰ জুমাৰ খোতবাত মই আচমাৰ হত্যা সম্পৰ্কে বৰ্ণনা কৰিছিলোঁ আৰু কৈছিলো যে এনেকুৱা আন এটা ঘটনা ইতিহাসত উল্লেখ পোৱা যায়। সেই ঘটনাটোও এটা মনেগঢ়া কাহিনী বুলি ধাৰণা হয়। এই ঘটনাটো হ'ল আবু আফক ইহুদীৰ হত্যাকাণ্ডৰ ঘটনা।

এই হত্যাকাণ্ডৰ বিতং বৰ্ণনা এনেদৰে উল্লেখ কৰা হৈছে যে ৰছুলে কৰিম (ছাঃ)য়ে চাহাবা সকলক কৈছিল যে তোমালোকৰ মাজত কোনে আছে যিয়ে মোৰ বাবে এই ধৰাধামৰ অৰ্থাৎ আবু আফক ইহুদীক হত্যা কৰিব পাৰে? আবু আফক বৰ বেয়া প্ৰকৃতিৰ মানুহ আছিল। কথিত আছে যে তাৰ বয়স ১২০ বছৰমান হৈছিল। তেওঁ সদায় মানুহক আঁহজৰত (ছাঃ)ৰ বিৰুদ্ধে উচটনি দিছিল আৰু নিজৰ কবিতা বিলাকৰ মাজত আঁহজৰত (ছাঃ)ৰ বিৰুদ্ধে বেয়া বেয়া শব্দ প্ৰয়োগ কৰি বে-আদবী কৰিছিল। আঁহজৰত (ছাঃ)ৰ সেই আহ্বানত হজৰত ছালিম বিন উমিৰে থিয় দিছিল (এই লোকজনে আল্লাহ তা'লাৰ ভয়ত সদায় কন্দা কটা কৰিছিল, বদৰৰ যুদ্ধত অংশ গ্ৰহণ কৰিছিল) আৰু নিবেদন কৰিছিল যে মই শপত খাইছো, হয় মই আফকক হত্যা কৰি পেলাম, নতুবা এই চেষ্টাত মই মোৰ প্ৰাণ দিম।

ইয়াৰ পিছৰে পৰা ছালিম বিন উমিৰে আফকক হত্যা কৰাৰ সুযোগ বিচৰাত লাগি যায়। এদিনাখন ৰাতিৰ বেলিকা প্ৰচণ্ড গৰম থকা কাৰণে আফকে নিজৰ ঘৰৰ পিৰালিত বাগৰ দি আছিল। এই খবৰ পোৱা মাত্ৰেই ছালিম বিন উমিৰ (ৰাঃ)য়ে আফকৰ ঘৰত গৈ উপস্থিত হয় আৰু পোনে পোনে গৈ আফকৰ বুকুত তৰোৱাল ধাৰণ কৰে আৰু হেঁচা মাৰি বুকু ছেদ কৰি দিয়ে। এনেকি তৰোৱালে তাৰ বুকু ভেদ কৰি বিছনাত গৈ লাগে। লগে লগে খোদাৰ শত্ৰু আফকে বিকট চিঞৰ মাৰি দিয়ে। ছালম (ৰাঃ)য়ে আফকক তেনে

অৱস্থাতে ৰাখি তাৰ পৰা গুচি আহে। আফকৰ চিঞৰৰ শুনি ওচৰে-পাজৰে থকা লোক সকলে দৌৰি আহে আৰু তাক তাৰ পৰা উঠাই ঘৰৰ ভিতৰত লৈ যায়। কিন্তু খোদা তা'লাৰ শত্ৰু আফকে সেই আঘাতত মৃত্যু বৰণ কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে এই ঘটনাৰ বৰ্ণনাত কয় যে এই ঘটনা কোনো বিশ্বাস যোগ্য প্ৰমাণৰ সৈতে লিপিবদ্ধ হোৱা নাই। ছহী ছয়খন হাদীছৰ কিতাপতও এই ঘটনাৰ কোনো উল্লেখ নাই। জীৱনীমূলক কিছুমান কিতাপত এই ঘটনাটোৰ উল্লেখ পোৱা যায়, সেই কিতাপবোৰ হ'ল ছিৰাতুল হালবিয়া, শ্বৰাহ জুৰকানি,তবকাতুল কুবৰা, ইবনে ছাআদ, ছিৰাতুন নবুয়াতুল ইবনে হিশাম, আল বিদায়া ওৱা নাহিয়া, কিতাবুল মুগাজি আল বাকাদ, আৰু ছাবিলুল হাদি আৰু ৰাশাদু আদি। কিন্তু ইতিহাসৰ বেছি ভাগ কিতাপত এই ঘটনাৰ কোনো বৰ্ণনা পোৱা নাযায়। যেনে আল কামিলুত তাৰিখ, তাৰিখুল তিব্ৰি, তাৰিখ ইবনে খুলদুন ইত্যাদি কিতাপ সমূহত এই ঘটনাৰ বৰ্ণনা নাই।

মুঠতে এই ঘটনাতও আচমাৰ ঘটনাৰ দৰে সাক্ষী পোৱা যায় যে আফক নামৰ ইহুদী জনে ৰছুলে কৰিম (ছাঃ)ৰ বিৰুদ্ধে শত্ৰুতা কৰিবলৈ লোকক উচটনি দিছিল। বদৰৰ যুদ্ধৰ পিছত এই হিংসা আৰু ঈৰ্ষা আৰু বঢ়াই তুলিছিল আৰু মুকলি মৰীয়া ভাৱে বিদ্ৰোহ আৰম্ভ কৰিছিল,আবু আফকৰ হত্যা সম্পৰ্কীয় ৰিৱায়তত থকা ভিতৰুৱা মতানৈক্যই এই ঘটনাক আৰু সন্দেহজনক কৰি তুলিছে। উদাহৰণ স্বৰূপে হত্যাকাৰী সম্পৰ্কে মতানৈক্য। ইবনে ছাআদ আৰু ওৱকাদিৰ মতে ছালিম বিন উমিৰ আফকৰ হত্যাকাৰী আছিল। কিন্তু বেলেগ কিছুমান ৰিৱায়ত মতে ছালম বিন উমৰু আফকৰ হত্যাকাৰী আছিল। আনফালে ইবনে উকবাৰ মতে ছালম বিন আব্দুল্লাহ আবু আফুকক হত্যা কৰিছিল। দ্বিতীয়তে হত্যাৰ কাৰণ সম্পৰ্কে মতানক্যৈ ইবনে হিশাম আৰু বাকদিৰ মতে ছালমে উগ্ৰতা বশত আবু আফকক হত্যা কৰিছিল, কিন্তু বেলেগ ৰিৱায়ত অনুসৰি ৰছুলুল্লাহ (ছাঃ)ৰ আদেশ অনুসৰি তাক হত্যা কৰা হৈছিল। ধৰ্মীয় মতানৈক্য সম্পৰ্কে আন এটা বৰ্ণনা পোৱা যায়। ইবনে ছাআদৰ মতে আবু আফক ইহুদী আছিল কিন্তু ওয়াকাদিৰ মতে আবু আফক ইহুদী নাছিল। আকৌ এই হত্যা কাণ্ডৰ সময় সম্পৰ্কেও মতানৈক্য আছে। ওৱাকদি আৰু ইবনে ছাআদৰ মতে এই ঘটনা আচমা বিনতে মাৰোৱানৰ হত্যাৰ পিছত সংঘটিত হৈছিল। আনহাতে ইবনে ইছহাক আৰু ইবনে হিশাম আদিৰ মতে আবু আফকৰ হত্যাকাণ্ড আচমাৰ হত্যাকাণ্ডৰ আগতে সংঘটিত হৈছিল। এইবোৰ স্পষ্ট মতানৈক্যৰ পৰা বুজা যায় যে এয়া এটা মনেগঢ়া কাহিনী হয়, এয়া প্ৰকৃত সত্য নহয়।

যদি আবু আফক শাস্তিৰ যোগ্য আছিল বুলি মৃত্যুদণ্ডত দণ্ডিত হোৱা বুলি মানি লোৱা হয় তেন্তে তাৰ কাৰণ আছিল তেওঁ বিভিন্ন দেশৰ নেতৃবৃন্দক হত্যাকাণ্ড ঘটোৱাৰ বাবে উচটনি দিছিল, উদগ্ৰীৱ কবিতা গাই গাই লোকক যুদ্ধলৈ আহ্বান কৰিছিল, দেশীয় শান্তি সম্প্ৰীতি বিনষ্ট কৰিছিল, যুদ্ধৰ বাবে অৰিহনা যোগাইছিল। এইবোৰেই মৃত্যুদণ্ড পোৱাৰ অপৰাধ। বৰ্তমানেও এইবোৰ অপৰাধৰ ওপৰত নিৰ্ভৰ কৰি অপৰাধীক মৃত্যুদণ্ড দিয়া হয়। কেৱল গালি-গালাজ কৰাই আফকৰ মৃত্যুৰ অৰ্থাৎ হত্যা কৰাৰ কাৰণ আছিল। এনেদৰে আচমাৰ ঘটনাৰ দৰে আবু আফকৰ হত্যাকাণ্ডৰ পিছতও ইহুদী সকলৰ মাজত কোনো প্ৰতিক্ৰিয়া হোৱাটো প্ৰমাণিত নহয়। গতিকে ইহুদী সকলৰ নীৰৱ থকাটোৱে প্ৰমাণ কৰে যে আফকৰ হত্যাৰ ঘটনা সত্য নহয়।

ইয়াতে মনত ৰাখিব লগীয়া কথাটো হ'ল এয়া যে এই ঘটনা সংঘটিত হোৱাৰ সময় বদৰৰ যুদ্ধৰ আগত অথবা যুদ্ধ শেষ হোৱাৰ পিছতেই বুলি বৰ্ণনা কৰা হৈছে। কিন্তু ইতিহাসবিদ সকলে একমত যে মুছলমান

আৰু ইহুদী সকলৰ মাজত প্ৰথম যুদ্ধ আছিল বনু কিনাকাৰ যুদ্ধ। যদি বদৰৰ যুদ্ধৰ আগত আফকৰ এই ঘটনা সংঘটিত হলেহেঁতেন তেন্তে এই যুদ্ধৰ বৰ্ণনাত ইয়াৰ অলপ হলেও উল্লেখ থাকিলেহেঁতেন আৰু ইহুদী সকলে আবু আফক আৰু আচমাৰ হত্যাকাণ্ডক কেন্দ্ৰ কৰি মুছলমান সকলৰ সমালোচনা কৰিব পাৰিলেহেঁতেন যে মুছলমান সকলেই আগতে আমাক জোকাই লৈছে। কিন্তু কোনো ইতিহাসত এনেকি ইহুদী সকলৰ ইতিহাসৰ কিতাপতও এনেকুৱা ঘটনাৰ উল্লেখ নাই যে মদিনাৰ ইহুদী সকলে কেতিয়াবা এই ঘটনাক লৈ কোনো প্ৰশ্ন তুলিছিল বা কোনো ধৰণৰ শোক প্ৰকাশ কৰিছিল। যদি কোনোবাই ধাৰণ কৰে যে সম্ভৱত তেতিয়া কোনোবাই অভিযোগ উত্থাপন কৰিছিল কিন্তু মুছলমান ইতিহাসবিদে সেয়া উল্লেখ কৰা নাই তেন্তে তাৰ  এই ধাৰণা হ'ব কাৰণ কেতিয়াও কোনো মুছলমান মুহাদ্দিছ অথবা ইতিহাসবিদে বিৰুদ্ধবাদী সকলৰ কোনো অভিযোগ ঢাকি ৰখা নাই। যেনেকৈ এবাৰ মক্কাৰ মুশ্বৰিক সকলে অভিযোগ কৰিছিল যে মুছলমান সকলে পৱিত্ৰ হৰামৰ বেইজ্জতী কৰিছে, সেই ঘটনা খিনি মুছলমান ইতিহাসে নিজৰ কিতাপত হুবহু নকল কৰি লিপিবদ্ধ কৰিছে। গতিকে যদি এই ক্ষেত্ৰত ইহুদী সকলৰ ফালৰ পৰা কোনো ধৰণৰ অভিযোগ উত্থাপন হলহেঁতেন তেন্তে সেয়া ইতিহাসত লিপিবদ্ধ কৰিবলৈ এৰি দিয়া নহ'লহেঁতেন। যিকোনো দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে দেখা যায় যে এই কাহিনী সত্য নহয় আৰু এনেকুৱা অনুমান হয় যে কোনো গোপন শত্ৰুৱে মুছলমান সকলৰ ওপৰত দোষ জাপি দিবলৈ এই কাহিনী বৰ্ণনা কৰিছে যিটো লাহে লাহে আহি মুছলমান সকলৰ ৰিৱায়তত সোমাই পৰিছে। নাইবা কোনো দুৰ্বল ঈমান সম্পন্ন মুছলমানে এই কাহিনী নিজৰ গৰ্বৰ কাৰণ হিচাপে বৰ্ণনা কৰিছে যে তাৰ সম্পৰ্কীয় লোকে এনেকুৱা কাফিৰক হত্যা কৰিছে। এনেদৰে তেওঁলোকে এয়া কিছুমান ৰিৱায়তত সোমাই দিছে। (ওৱাল্লাহু আলিমু)

হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাবে আচমা আৰু আবু আফকৰ হত্যাৰ কাহিনী বৰ্ণনা কৰোঁতে ছিৰাত খাতামান্নাবিঈনত লিখিছে যে বদৰৰ যুদ্ধৰ পিছত ওৱাকদি আৰু কিছুমান ইতিহাসবিদে দুটা এনেকুৱা ঘটনা টানি আনি লিপিবদ্ধ কৰিছে যে যাৰ কোনো সুংসুত্ৰ ছহী হাদীছৰ কিতাপবোৰত বিচাৰি পাবলৈ নাই আৰু এই বিষয়ে সামান্য চিন্তা কৰিলেই ঘটনাটো সত্য প্ৰমাণিত নহয় বুলি গম পোৱা যায়। কিন্তু যিহেতু এই ঘটনায় প্ৰকাশ্য ভাৱে আঁহজৰত (ছাঃ)ৰ ওপৰত এটা অভিযোগ উত্থাপন কৰে সেয়ে কিছুমান ঈছাই ইতিহাসবিদে ঈৰ্ষাৰে সৈতে অসহ্যকৰ ভাৱে এই ঘটনা বৰ্ণনা কৰিছে। কিন্তু প্ৰকৃতাৰ্থে বিবেক বিবেচনাৰ আগত এই ঘটনা সত্য প্ৰমাণিত নহয়।

প্ৰথম দলিল যিয়ে এই ঘটনাৰ সত্যতা সম্পৰ্কে সন্দেহৰ জন্ম দিয়ে সেয়া হ'ল এই যে হাদীছৰ কিতাপ বিলাকত এই বিষয়ে কোনো বৰ্ণনা পোৱা নাযায়। এনেকি হাদীছ বাদেই থাকক কিছুমান ইতিহাসবিদে ইয়াৰ বিষয়ে কোনো কথা সঁচাকৈয়ে উল্লেখ কৰা নাই।

সেয়ে যদি এনে ধৰণৰ কোনো ঘটনা সঁচাকৈয়ে ঘটিলেহেঁতেন তেন্তে কোনো পধ্যেই হাদীছ আৰু ইতিহাসৰ কিতাপত ইয়াৰ বৰ্ণনা শূন্য নহ'লহেঁতেন। ইয়াতে এয়া সন্দেহৰ অৱকাশ আছে যে যিহেতু এই ঘটনায় প্ৰকাশ্য ভাৱে আঁহজৰত (ছাঃ)ৰ আৰু চাহাবা সকলৰ ওপৰত অভিযোগ কৰাৰ স্থল আছে, সেয়ে মুহাদ্দিছ  আৰু কিছুমান ইতিহাসবিদ সকলে এই ঘটনা বৰ্ণনা কৰা নাই। কাৰণ এই ঘটনা সংঘটিত হোৱা সময় ছোৱাৰ ওপৰত কোনো মতানৈক্য বা অভিযোগ নাই। দ্বিতীয়তে যিজনে হাদীছ আৰু ইতিহাসৰ জ্ঞান ৰাখে তেওঁৰ পৰা এই কথাখিনি গোপনে থাকিব নোৱাৰে যে মুছলমান মুহাদ্দিছ আৰু ইতিহাসবিদে কেতিয়াবা কোনো ৰিৱায়ত এই কাৰণে গোপন কৰি ৰাখিছে যে তাৰ দ্বাৰা ইছলাম আৰু বাণী ইছলামৰ ওপৰত প্ৰকাশ্য

দোষ অভিযোগ উত্থাপিত হয়। সেই কাৰণেই মুহাদ্দিছ সকলে এই পন্থা অৱলম্বন কৰিছিল যে যিটো তেওঁলোকে শুদ্ধ ভাৱে পাইছিল, সেয়া নকল কৰি লওঁতে কেতিয়াও পলম কৰা নাছিল। মাষ্টাৰ মাৰ্গেলিছে যিজনে সদায় কোনো এটা বিষয় সম্পৰ্কে সমালোচনাৰ দিশটো বাছি লৈছিল; তেওঁৰেও এই ঘটনা সম্পৰ্কে মুছলমান সকলক কোনো ধৰণৰ সমালোচনা বা দোষাৰোপ কৰা নাই।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই সকলোবোৰ ঘটনা এটা মনে সজা কাহিনী মাত্ৰ,যি আঁহজৰত (ছাঃ)ৰ ওপৰত জাপি দিয়া হৈছে। সেই লিখক সকলে যি কাহিনী লিখিছিল তাৰ ওপৰত পিছৰ দিনবোৰত আহি অনুসন্ধান কৰি শুদ্ধ, অশুদ্ধৰ পৰ্যালোচনা কৰা উচিত আছিল। যিয়েই নহওক আল্লাহ তা'লাৰ অশেষ কৃপা যে সি আমাক এই যুগত আহি যুগৰ ইমামক মান্য কৰাৰ তৌফিক দান কৰিছে আৰু আমি সকলো কথা বা বিষয় চাই মেলি প্ৰমাণ কৰি তাৰ গূঢ়াৰ্থ বুজি পাই সেয়া কৰাৰ চেষ্টা কৰিব পাৰিছো; আৰু যিকোনো দোষাৰোপ, যিবোৰ আঁহজৰত (ছাঃ)ৰ ওপৰত জাপি দিয়া হৈছে, সেইবিলাক বাতিল সাব্যস্ত কৰাৰ চেষ্টা কৰি আছো। আল্লাহ তা'লা সেই উলামা সকলক বিবেক দান কৰক যিসকলে এনেকুৱা কথাবোৰ স্থাপিত কৰি নিজৰ লাভ আদায় কৰি থাকে আৰু ইছলামক বদনাম কৰাৰ চেষ্টা কৰি থাকে। তেওঁলোকে কয় আমি ইছলামৰ খিদমত কৰি আছো, কিন্তু প্ৰকৃততে তেওঁলোকৰ কাৰ্য প্ৰণালীয়ে জুলুম,অন্যায় অবিচাৰ, অনাচাৰৰ জন্ম দি আছে। আল্লাহ তা'লা তেওঁলোকক বিবেক বুদ্ধি দান কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে সৰ্বশেষত প্ৰোফেছৰ ডক্টৰ নাছেৰ আহমদ খান চাহাব (পৰবেজ পৰোবাজি অফ কানাডা) মকৰম শ্বৰীফ আহমদ ভট্টী চাহাব (ৰাবোৱা) প্ৰোফেছৰ আব্দুল কাদিৰ জাহৰি চাহাব (প্ৰাক্তন আমিৰ জামাত জিলা নোয়াবশ্বাহ) আৰু মকৰম প্ৰোফেছৰ ডক্তৰ মহম্মদ শ্বৰীফ খান চাহাব (আমেৰিকা)ৰ মৃত্যু সম্পৰ্কে উল্লেখ কৰি তেওঁলোকৰ জামাতি খিদমতৰ চমু বিৱৰণ আগবঢ়ায়; আৰু তেওঁলোকৰ আত্মাৰ সদগতি কামনা কৰি নামাজে জুমাৰ পিছত মৰহুমিন সকলৰ নামাজে জানাজ গায়েব পঢ়াৰ বিষয়ে ঘোষণা কৰে। আল্লাহ তা'লা মৰহুমিন সকলৰ মৰ্যাদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ -

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844